৩ পৃষ্ঠাত

৪ পৃষ্ঠাত

অসম আদিত্য

৩ আহিন, ১৯৪৮ শক ■ সোমবাৰ, ২১ ছেপ্টেম্বৰ, ২০২৬ ■ Asom Aditya, Dibrugarh, Monday, September 21, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

কৌতূহলহীন মানুহৰ মানসিক বিকাশ সদায় স্থবিৰ ঃ ড° শইকীয়া

ডিব্ৰুগড়, ২০ ছেপ্টেম্বৰ ঃ যি মানুহৰ মনত কৌতূহল বা প্ৰশ্নৰ উদয় নহয়, তেওঁৰ মানসিক বিকাশ সদায় স্থবিৰ হৈ পৰে। প্ৰশ্নৰ অবিহনে জীৱনৰ বিকাশ সম্ভৱ নহয়। অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰী বন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, ৰাষ্ট্ৰসংঘৰ উত্তৰ-পূব সম্পদ কেন্দ্ৰৰ পেনেলিষ্ট, ভাৰতীয় ইতিহাস সংকলন সমিতিৰ ডিব্ৰুগড় জিলাৰ সভাপতি, ডিএইচএছ কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ, কৰ্মসূৰ্য ড° শশীকান্ত শইকীয়াই আজি এইদৰে কয়। গন্ধিয়া গাঁৱৰ সুযোগ্য সন্তান তথা আন্তঃৰাষ্ট্ৰীয় খ্যাতিসম্পন্ন বিজ্ঞানী, দক্ষিণ আফ্ৰিকাত কৰ্মৰত ড° মুকুট গোহাঁইৰ পৃষ্ঠপোষকতাত, পানীতোলাৰ গন্ধিয়া যুৱক সংঘৰ উদ্যোগত আৰু সমীপৱৰ্তী প্ৰায় ২০ টা যুৱক সংঘৰ সহযোগত গন্ধিয়া সাংস্কৃতিক কেন্দ্ৰত অনুষ্ঠিত গ্ৰাম্য কুইজ প্ৰতিযোগিতাৰ মুকলি সভাত মুখ্য অতিথি হিচাপে উপস্থিত থাকি ড° শইকীয়াই কয়— মানুহৰ জীৱনটো কেৱল উত্তৰৰ একঘেমিয়াৰে ভৰাই তুলিলে কেতিয়াও জীৱন সৌন্দৰ্যৰে পৰিপূৰ্ণ নহয়। জীৱনটো সুন্দৰ আৰু উপভোগ্য কৰি তুলিবলৈ জীৱনটোক নতুন নতুন প্ৰশ্ন আৰু কৌতূহলেৰে জীৱন্ত কৰা উচিত। তেওঁ কয় [illegible] মানুহৰ জীৱনত প্ৰশ্নৰ অৱকাশ নাই, যি মানুহৰ জীৱনত আত্মবিশ্লেষণ নহয় আৰু যি মানুহে কোনোদিনে নতুন প্ৰশ্নৰ সন্মুখীন নহয়, সেই মানুহৰ জীৱনৰ কোনো সাৰ্থকতা নাথাকে। গন্ধিয়া যুৱক সংঘৰ প্ৰচেষ্টাক ভূয়সী প্ৰশংসা কৰি ড° শইকীয়াই কয়— কুইজ হ'ল মানুহৰ জীৱনক আগুৱাই নিয়াৰ এক উত্তম আহিলা। কুইজে এটা অঞ্চল, এখন সমাজ বা এখন দেশক শৈক্ষিকভাৱে নহয়, বৌদ্ধিকভাৱেও আগুৱাই নিয়ে। যিয়ে কুইজ নিয়মিত চৰ্চা কৰে, সেইসকলে জীৱনক নতুন ৰূপত আগুৱাই নিব পাৰে বুলি উল্লেখ কৰি কয়— মানুহৰ গোটেই জীৱনটোৱেই হ'ল একোখন কুইজ মঞ্চ। কুইজত যেনেদৰে প্ৰশ্ন জড়িত হৈ থাকে, একেদৰে মানুহৰ জীৱনতো প্ৰশ্ন জড়িত হৈ থাকে। কুইজত যেনেদৰে বিকল্পৰ মাজত যিকোনো এটাক নিৰ্বাচন কৰে, ঠিক তেনেদৰে জীৱনতো দৈনিক অনেক বিকল্পৰ মাজত যিকোনো এটাক বাচি ল'ব লগা হয়। তেওঁ কয় যে, কুইজত সময়ক ভালপোৱা, তাৎক্ষণিক সিদ্ধান্ত লোৱা আদি ধাৰণাবোৰ যেনেদৰে জড়িত হৈ থাকে, তেনেদৰে জীৱনক ভালপাবলৈ হ'লে সময়ৰ মূল্য বুজা, সময়ক ভালপোৱা আৰু জীৱনক সুন্দৰ কৰি তুলিবলৈ তাৎক্ষণিক সিদ্ধান্ত গ্ৰহণ কৰিব লাগিব। সভাপতি নয়নমণি বৰুৱা আৰু সম্পাদক বুলবুল গোহাঁইকে ধৰি প্ৰায় তিনি শতাধিক ব্যক্তি উপস্থিত থকা মননশীল সভাখনত ড° শইকীয়াই পুনৰ কয়— কুইজত প্ৰশ্নৰ উত্তৰ নোৱাৰিলে এৰি দিয়া হয় বা 'পাছ' কৰি দিয়া হয়। ইয়াৰ যোগেদি মানুহে জীৱনত নম্ৰতা, ভদ্ৰতা, বিনম্ৰতাৰ শিক্ষা আহৰণ কৰিব পাৰে আৰু অজ্ঞতা স্বীকাৰ কৰিব পাৰে। অজ্ঞতা স্বীকাৰ কৰিব জনা জনেই জীৱনত আগুৱাই যাব পাৰে বুলি তেওঁ কয়। কুইজত ভুল হ'লে ভুলৰ পৰা শিকি পুনৰ নতুন উদ্যমেৰে আকৌ কুইজৰ মঞ্চলৈ উভতি অহাৰ দৰে জীৱনৰ ক্ষেত্ৰতো ভুলৰ পৰা শিক্ষা লোৱা সকলে জীৱনটোক সুন্দৰভাৱে সজাই তুলিব পাৰে। তেওঁ কয় যে, কুইজ কেতিয়াও পুথিগত তথ্যৰ সমষ্টি নহয়। ই হ'ল মানুহৰ চেতনা জাগ্ৰত কৰাৰ এক জীৱন্ত অনুশীলন। কুইজে সকলোকে চকু, কাণ খোলা ৰাখিবলৈ আৰু প্ৰতিটো কথাৰ কাৰণ জানিবলৈ শিক্ষা দিয়ে বুলিও তেওঁ বক্তৃতাত উল্লেখ কৰে। ড° শইকীয়াই কয়— মই নাজানো বুলি ক'ব পৰা বিনম্ৰতা, পৰাজয়ৰ পৰা নতুন শিক্ষা আৰু সিদ্ধান্ত গ্ৰহণে মানুহক উত্তৰণত সহায় কৰে। সেয়া কুইজৰ মঞ্চৰ যোগেদি শিক্ষা আহৰণ কৰিব পাৰি বুলিও তেওঁ কয়। এনেদৰে গ্ৰাম্য অঞ্চলত কুইজ প্ৰতিযোগিতা নিয়মীয়াকৈ আয়োজন কৰিলে গ্ৰাম্য অঞ্চলসমূহ বৌদ্ধিক আৰু শৈক্ষিক দিশত যথেষ্ট উন্নত হ'ব বুলিও তেওঁ সদৰী কৰে। গাঁৱে গাঁৱে চৰকাৰী বা বেচৰকাৰী উদ্যোগত কুইজ ক্লাব গঠন কৰাৰ প্ৰতিও তেওঁ গুৰুত্ব আৰোপ কৰে। কুইজে এটা জাতিৰ ইতিহাস, সাহিত্য, ক্ৰীড়া, শিল্প, চিত্ৰ ইত্যাদিৰ বিষয়ে জনাত সহায় কৰে আৰু তেনে জ্ঞানে মানুহক বৌদ্ধিকভাৱে শক্তিশালী কৰে বুলিও কয়। পৃথিৱীত দৈনিক ন ন সৃষ্টি হৈ আছে আৰু সৃষ্টিসমূহৰ প্ৰতি কৌতূহল সৃষ্টি হ'লেহে সমাজ এখন আগুৱাই যাব পাৰে। উল্লেখ্য যে, আজি এই উদ্বোধনী সভাত চাহ জনগোষ্ঠীৰ অন্যতম যুৱনেতা লেজাৰ নন্দ, বিশিষ্ট সাহিত্যৰ সাধক অৰুণ বৰপাত্ৰ গোহাঁইকে ধৰি বহুকেইজন গণ্য-মান্য আৰু জ্যেষ্ঠ ব্যক্তি উপস্থিত থাকে।